# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - - -

জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নির্বাচিত হৈছে। পদটোৰ বাবে সাংসদ কে সুৰেশক প্ৰক্ষেপ কৰা কংগ্রেছ দলে সদনত ভোটগ্রহণৰ দাবী উত্থাপন নকৰাৰ পৰিপ্ৰেক্ষিতত পূর্বৰ লোকসভাৰ অধ্যক্ষগৰাকী মৌখিক ভোটত একেবাহে দ্বিতীয়বাৰৰ বাবে নির্বাচিত হয়। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধী আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে তেওঁক অধ্যক্ষৰ আসনলৈ আগবঢ়াই নিয়ে। ইয়াৰ পূর্বে আজি পুৰা সদন মিলিত হোৱা সময়তে প্ৰধানমন্ত্ৰী মোদী আৰু এন ডি এৰ আন ১২ গৰাকী নেতাই লোকসভাৰ অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলাৰ নাম প্ৰস্তাৱ কৰে। আনহাতে বিৰোধী পক্ষৰ হৈ শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা অৰবিন্দ সাৱন্ত, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে আৰু সমাজবাদী পাৰ্টিৰ সাংসদ আনন্দ ভাদৌৰীয়াই কংগ্রেছ সাংসদ কে সুৰেশৰ নাম প্ৰস্তাৱ কৰে।

অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলা নির্বাচিত হোৱাৰ লগে লগে ইতিহাসৰ সৃষ্টি হ'ল বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, সদনত পৰৱৰ্তী ৫ বছৰৰ বাবে শ্ৰীবিৰলাই আগবঢ়াবলগীয়া দিহা-পৰামৰ্শৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে। এগৰাকী সাংসদ হিচাপে শ্ৰীবিৰলাৰ ভূমিকা সংসদৰ নতুন সদস্যসকলৰ বাবে অনুপ্ৰেৰণাৰ কাৰণ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীৰ নেতৃত্বত পূর্বৰ লোকসভাত কেইবাখনো ব্যতিক্ৰমী বিধেয়ক গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, সাংসদসকলৰ আচাৰ-ব্যৱহাৰ আৰু দায়বদ্ধতাই সংসদীয় গণতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও লোকসভাৰ অধ্যক্ষ হিচাপে পুনৰ নির্বাচিত হোৱা বাবে শ্ৰীবিৰলাক অভিনন্দন জনাইছে।

বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও নৱনির্বাচিত অধ্যক্ষ শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে, এই সদনে জনসাধাৰণৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষই সহায় সহযোগিতা আগবঢ়াব বুলিও তেওঁ শ্ৰীবিৰলাক নিশ্চিত কৰি দিয়ে। তেওঁ লগতে কয় যে, বিশ্বাস আৰু আস্থাৰ লগতে বিৰোধী পক্ষৰ ব্যক্ত্যব উত্থাপনৰ বাবে লাভ কৰা অনুমতিৰ জৰিয়তে সকলো পক্ষৰ সহযোগিতা সম্ভৱ হৈ উঠে। একেদৰে সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱেও বিৰোধী পক্ষই তেওঁলোকৰ ব্যক্তব্য উত্থাপনৰ বাবে প্ৰয়োজনীয় সময় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে তৃণমূল কংগ্ৰেছৰ সাংসদ সুদীপ বন্দোপাধ্যায়ে সপ্তদশ লোকসভাত বিৰোধী দলৰ সাংসদৰ বৰ্খাস্তকৰণৰ প্ৰসংগটো উত্থাপন কৰি কয় যে, সদনত উপযুক্ত আলাপ-আলোচনাৰ জৰিয়তেহে বিধেয়ক গৃহীত হোৱা উচিত।

০০০০০০০

আজি ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে - **'প্ৰমাণ স্পষ্টঃ প্ৰতিৰোধৰ বাবে হাত আগবঢ়াওক'**। ৰাজ্যত শেহতীয়াকৈ এইচ আই ভি সংক্ৰমণৰ ক্ষেত্ৰত

বেজীৰ দ্বাৰা ড্ৰাগছ গ্ৰহণক এটা প্ৰধান কাৰক হিচাপে বিবেচনা কৰা হৈছে। উল্লেখযোগ্য যে ড্ৰাগছ গ্ৰহণকাৰীৰ মাজত ব্যৱহৃত বেজি আৰু চিৰিঞ্জৰ আদান-প্ৰদানে এইচ আই ভি সংক্ৰমণৰ আশংকা বৃদ্ধি কৰে। ড্ৰাগছ নিৰ্ভৰশীলতাৰ উপযুক্ত চিকিৎসাৰ বাবে বেজীৰে ড্ৰাগছ গ্ৰহণকাৰীসকলে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, কাৰ্বি আংলঙৰ ডিফু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত অৱস্থিত অ' এছ টি কেন্দ্ৰসমূহলৈ যাব পাৰিব। ইয়াৰোপৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰতো অ' এছ টি সেৱা উপলব্ধ হ'ব।

অসমৰ বিভিন্ন জিলাৰ লগতে গুৱাহাটী মহানগৰীত এই দিৱসৰ সৈতে সংগতি ৰাখি চৰকাৰী ৰে'ল আৰক্ষী আৰু ৰে'ল সুৰক্ষা বাহিনীয়ে গুৱাহাটী ৰে'লৰে ষ্টেচনৰ পৰা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতামূলক ৰেলী উলিয়ায়। আনহাতে ডিফুত ১৬ কোটি টকাতকৈ অধিক মূল্যৰ ড্ৰাগছ জ্বলাই দিয়া হয়। একেদৰে ধুবুৰী, বিলাসীপাৰা, চাপৰকে ধৰি ৮খন থানাই জব্দ কৰা ড্ৰাগছসমূহ জিলা প্ৰশাসনে দাহন কৰে।

ইপিনে কোকৰাঝাৰ জিলাত এই দিৱসৰ সৈতে সংগতি ৰাখি শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়।

দৰং জিলাৰ মঙলদৈৰ অসামৰিক চিকিৎসালয়ত মানসিক বিভাগৰ উদ্যোগত আৰু স্থানীয় বেচৰকাৰী সংগঠনৰ সহযোগত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭ বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ' ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

০০০০০০০০

**সমাপ্ত**